মুনীন বৰকটকীৰ

# বন্দিত বৰেণ্য



সম্পাদনা

শিৱনাথ বৰ্মন

# বন্দিত বৰেণ্য

মুনীন বৰকটকীৰ
জীৱনীমূলক প্ৰবন্ধাৱলী

সম্পাদনা
ড° শিৱনাথ বৰ্মন

লয়াৰ্ছ বুক ষ্টল
পাণবজাৰ : গুৱাহাটী : অসম

**Bandita Barenya** : a collection of biographical essays by Late Munin Barkataki, edited by Dr. Sivanath Barman and published by Shri K. N. Duttabaruah, Lawyer's Book Stall, Panbazar, Guwahati - 781 001 on behalf of Munin Barkataki Memorial Trust.

প্ৰকাশক ঃ
খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল
পাণবজাৰ, গুৱাহাটী - ৭৮১০০১

প্ৰথম প্ৰকাশ ঃ ১৯৯৫


© মুনীন বৰকটকী স্মাৰক ন্যাস

বেটুপাত ঃ চন্দন চুতীয়া

মুদ্ৰক ঃ
শ্ৰীৰাধাৰমণ বছাক
শ্ৰীকান্ত প্ৰেছ
৭৫ বৈঠকখানা ৰ'ড
কলিকতা-৭০০ ০০৯

দাম ঃ ৪০.০০ টকা মাত্ৰ

মুনীন বৰকটকী



জন্ম ১৯১৫ মৃত্যু ১৯৯৩

## সম্পাদকৰ নিবেদন

প্ৰয়াত মুনীন বৰকটকীদেৱৰ এইখন দ্বিতীয় প্ৰকাশিত পুথি আৰু প্ৰথম মৰণোত্তৰ প্ৰকাশ। বৰকটকীৰ অধ্যয়নৰ বিস্তৃতি আছিল বিশাল, চিন্তা আছিল আলোকবিসাৰী, লিখনি আছিল এক স্বকীয় ভঙ্গিমাৰে ঋদ্ধ। অসমত আধুনিক চিন্তা-চৰ্চাৰ অন্যতম পথিকৃৎ এই ব্যক্তিগৰাকীৰ ৰচনা হয়তো দেধাৰ নহয়; কিন্তু তেখেতৰ লেখাৰ বৈচিত্ৰ্য চমৎকৃত হ'বলগীয়া ধৰণৰ। গল্পৰ পৰা ৰম্য ৰচনালৈকে, পুথি সমালোচনাৰ পৰা সাংবাদিকতাধৰ্মী ৰচনালৈকে নানা সুৰীয়া ৰচনাত তেখেতে হাত দিছিল। সবাতোকৈ ডাঙৰ কথা, তেখেতে আমালৈ এৰি থৈ গৈছে সাহিত্য, সমাজ আৰু ব্যক্তিবিষয়ক ভাৱগধুৰ প্ৰবন্ধৰ এটা মেটমৰা সম্ভাৰ। অসমীয়া সাহিত্যলৈ এক আপুৰুগীয়া বৰঙণি হিচাপে এইখিনি চিৰকাল চিহ্নিত হৈ ৰ'ব।

নিজৰ ৰচনাৱলী গ্ৰন্থিত কৰাৰ আগ্ৰহ বৰকটকীদেৱৰ বিশেষ নাছিল; সংখ্যাতকৈ সংবিদ্ধিৰ ওপৰত, পৰিমাণতকৈ প্ৰমূল্যৰ ওপৰত তেখেতে গুৰুত্ব দিছিল অধিক। "মনীষাই মনীষাই ৰিজাই চাওঁতে কোনজনে কিমান বেছি গ্ৰন্থ ৰচনা কৰিলে, নাইবা কিমান সুখ্যাতি আৰু যশস্যা আৰ্জিলে, সেইটো মুখ্য প্ৰশ্ন নহয়; মুখ্য প্ৰশ্ন হৈছে কোনজনৰ বৌদ্ধিক প্ৰয়াসৰ 'ৰেঞ্জ' বা বিস্তৃতি কেনেকুৱা, পণ্ডিত সুলভ কামনা বাসনা বা অভিমাত্ৰা আকাঙ্খাৰ উচ্চতা বা গভীৰতা কিমান।" -তেখেতে লিখিছিল (বিস্মৃত ব্যতিক্ৰম)।

বিশালতত্বৰ প্ৰতি আকুল ব্যক্তিয়ে মনৰ দাপোনত নিজৰ ক্ষুদ্ৰতাহে দেখা পায়। বৌদ্ধিক প্ৰয়াসৰ বিশাল 'ৰেঞ্জ' থকা বৰকটকীদেৱেও নিজৰ ৰচনাত বিশালতা তথা গভীৰতা চাগৈ তেনেকৈ দেখা পোৱা নাছিল। তেখেত আছিল, তেখেতৰ নিজা ঢঙত ক'ব লাগিলে, worst critic of himself -নিজৰ নিকৃষ্ট সমালোচক। নিজৰ ৰচনাৱলী ছপাই উলিওৱাত তেখেতৰ অনিহাৰ অন্যান্য ভালেমান কাৰণ হয়তো থাকিব পাৰে; কিন্তু মূল কাৰণ, মোৰ মতেৰে এইটোৱে। কিন্তু তেখেতৰ আত্ম সমীক্ষা যে শুদ্ধ নাছিল, তাৰ প্ৰমাণ তেখেতৰ জীৱদ্দশাত প্ৰকাশিত একমাত্ৰ গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম'খন। অসমীয়া গদ্য সাহিত্যৰ এখন ব্যতিক্ৰমধৰ্মী পুথি হিচাপে ই প্ৰভূত স্বীকৃতি পাইছিল আৰু অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিবলৈয়ো সক্ষম হৈছিল। মাত্ৰ এখন পুথি লিখিয়েই বঁটা লাভ কৰাৰ দৃষ্টান্ত আমাৰ সাহিত্য বুৰঞ্জীত বিৰল।

বৰকটকীদেৱৰ লেখাসমূহ বিভিন্ন আলোচনী, বাতৰিকাকত, স্মৃতিগ্ৰন্থ আদিত সিচৰতি হৈ আছিল। বস্তুতঃ, সেইবোৰ প্ৰায় হেৰাই যোৱাৰ উপক্ৰম হৈছিল। সুখৰ

বিষয় যে তেখেতৰ দেহাৱসানৰ অব্যৱহিত পিছতে তেখেতৰ পৰিয়ালবৰ্গ আৰু শুভাকাঙ্খীসকলে মিলি 'মুনীন বৰকটকী স্মাৰক ন্যাস' গঠন কৰে আৰু তেখেতৰ স্মৃতি ৰক্ষাৰ্থে অন্যান্য কাম হাতত লোৱাৰ উপৰিও তেখেতৰ ৰচনাসমূহ সংগ্ৰহ কৰি সেইবোৰ একোখনকৈ গ্ৰন্থৰ আকাৰত ছপাই উলিওৱাৰ সিদ্ধান্ত লয়। ন্যাসৰ উদ্যোগতে বৰকটকীদেৱৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনা উন্মোচিত হয় 'বিভিন্ন জনৰ দৃষ্টিত মুনীন বৰকটকী' শীৰ্ষক গ্ৰন্থখনি। শ্ৰীযুত উপেন্দ্ৰ বৰকটকীৰ সু-সম্পাদনাত ওলোৱা এই গ্ৰন্থখনিয়ে ইতিমধ্যে সুধী-সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

ন্যাসৰ ফালৰ পৰা, সম্ভৱতঃ শ্ৰদ্ধেয় আৰু স্বনামধন্য শিক্ষাগুৰু শ্ৰীযুত নৱকান্ত বৰুৱাৰ নিৰ্দেশত, বৰকটকীদেৱৰ জীৱনীমূলক প্ৰবন্ধসমূহ সম্পাদন কৰাৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হয়। ময়ো মোৰ সামৰ্থ্যৰ কথা বিশেষ চিন্তা নকৰাকৈ, মুনীন বৰকটকী মানুহজনৰ প্ৰতি থকা মোৰ একান্ত শ্ৰদ্ধাৰ বাবেই, এই দায়িত্ব টপৰাই গ্ৰহণ কৰিলো। ভাবিছিলো কামটো অসহজ নহ'ব। কিন্তু তেখেতৰ বিদূষী কন্যা ড° মীনাক্ষী ভট্টাচাৰ্যই যেতিয়া প্ৰকাশিত কাকত-পত্ৰৰ ফাইলটো আনি মোক দিলেহি, সেইটো খুলি বুজিব পাৰিলো, বৰকটকীদেৱৰ ৰচনাৱলীৰ সম্পাদনা নিচেই অনায়াস কৰ্ম নহয়। তেখেতৰ ছপা প্ৰবন্ধবিলাকে অসুবিধা কৰা নাছিল; কিন্তু লেঠা লগাইছিল তেখেতৰ হাতে লিখা প্ৰবন্ধবিলাকে। তেখেতৰ হাতৰ লিখা অত্যন্ত থেপাথেপি আৰু অস্পষ্ট, বহু সময়ত প্ৰায় দুৰ্বোধ্য হোৱা হেতু অৰ্থোদ্ধাৰৰ বাবে সৰুসুৰা অভিযান এটাকে চলাব লগা হৈছিল।

শ্ৰীমতী ভট্টাচাৰ্যই দিয়া ফাইলটোত ইয়াত সন্নিৱিষ্ট প্ৰবন্ধবিলাকৰ উপৰিও পোৱা গৈছিল অসমৰ প্ৰথম ডক্টৰ(?) ৰাধিকাৰাম ঢেকিয়াল ফুকন, অভিনেতা চন্দ্ৰ ফুকন, কবি কমলেশ্বৰ চলিহা, সংস্কৃতি পূজাৰী সুৰেশ গোস্বামী আদিৰ বিষয়ে সম্পাদকলৈ লিখা খনদিয়েক চিঠি আৰু গোহাৰি; 'ব্যক্তি আৰু ব্যক্তিত্ব' নামৰ পুথি এখনৰ এটা খুদীয়া পৰিচয়; তদুপৰি প্ৰয়াত যুগলদাসে লিখা 'অম্বিকাগিৰী ৰায়চৌধুৰী : গড়ৰ দেশত পশুৰাজ' শীৰ্ষক গ্ৰন্থখনৰ এটা নিচেই আধৰুৱা সমালোচনা। এইবোৰ ভৱিষ্যতৰ ছপালৈ থৈ একুৰি দুটা প্ৰবন্ধ এই সংকলনটোৰ বাবে বাছি উলিওৱা হ'ল। তাৰে উনৈশটা অসমৰ প্ৰথিতযশা ব্যক্তিসকলৰ জীৱনকৰ্মৰ সমালোচনা; বাকী তিনিটা গান্ধী, নেহৰু আৰু মহাদেৱী বাৰ্মা— এই তিনিগৰাকী সৰ্বভাৰতীয় খ্যাতিৰ অনা-অসমীয়াক লৈ লিখা।

সংকলনটো, কোৱা বাহুল্য, 'বিস্মৃত ব্যতিক্ৰম'ৰ সমগোত্ৰীয়। দৰাচলতে গ্ৰন্থখনক 'বিস্মৃত ব্যতিক্ৰম'ৰে পৰৱৰ্তী খণ্ড বুলিব পাৰি। ইয়াত যিসকল ব্যক্তি আলোচিত হৈছে, সেইসকলৰ ভিতৰত অম্বিকাগিৰী ৰায়চৌধুৰী, মহেন্দ্ৰনাথ ডেকাফুকন, লক্ষ্মীনাথ ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈৰ আলোচনা 'বিস্মৃত ব্যতিক্ৰম'তো আছে। এখেতসকলৰ উপৰিও ইয়াত সমালোচিত অসমীয়া ব্যক্তিসকলৰ ভিতৰত আছে শ্ৰীমন্ত শংকৰদেৱ, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ শৰ্মা, শৰৎচন্দ্ৰ গোস্বামী, দুৰ্গাধৰ বৰকটকী, অতুল চন্দ্ৰ হাজৰিকা, ত্ৰৈলোক্যনাথ গোস্বামী, যুগল দাস, ফুনু বৰুৱা, তছদ্দুক ইউচুফ আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। উল্লেখনীয় এইসকলৰ ভিতৰত ড° ভট্টাচাৰ্যই একমাত্ৰ জীৱিত ব্যক্তি।

ওপৰত কোৱা ব্যক্তিসকলৰ প্ৰতিজনেই অসমৰ সাহিত্য, শিক্ষা আৰু সংস্কৃতি গগনৰ একো একোটি উজ্জ্বল তাৰকা। বৰকটকীদেৱ নিজে সাহিত্য-শিক্ষা-সংস্কৃতিৰ অনুৰাগী বোদ্ধা হোৱা হেতুকে এনেলোকৰ সংখ্যাধিক্য তেখেতৰ লিখনিত স্বাভাৱিক। আনহাতে, তেখেতে জীৱনত কাহানিও সক্ৰিয় ৰাজনীতিত ভাগ লোৱা নাছিল, যদিও তেখেত আছিল এগৰাকী তীক্ষ্ণ ৰাজনীতি চেতনা সম্পন্ন লোক; ৰাজনীতিবিদসকলৰ জীৱনকৰ্মৰ চিন্তা তেখেতৰ বৌদ্ধিক পৰিমণ্ডলৰ বাহিৰত নাছিল। গোপীনাথ বৰদলৈ, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু অমিয় কুমাৰ দাস — এই তিনিগৰাকী অসমৰ ৰাজনীতি ৰত্নৰ উপৰিও গান্ধীজী আৰু নেহৰু সম্পৰ্কে তেখেতে লিখা প্ৰবন্ধ গ্ৰন্থখনত সংকলিত কৰা হৈছে। লগতে গ্ৰন্থখনত স্থান পাইছে তেখেতৰ নাতিখ্যাত বন্ধু ললিত হাজৰিকাৰ বিষয়ে লিখা এটা প্ৰবন্ধয়ো।

অধ্যয়নৰ ক্ষেত্ৰত বৰকটকীদেৱ আলস্যমুক্ত ব্যক্তি আছিল; কিন্তু লেখাৰ ক্ষেত্ৰত তেখেত আছিল দীৰ্ঘসূত্ৰিতাৰ বন্দী। হেঁচোক খালেহে তেখেতে হাতত কাপ তুলি লৈছিল। সংকলিত প্ৰায়বোৰ প্ৰবন্ধই পৰিস্থিতিৰ হেঁচাত বা সম্পাদকৰ তাগিদাত লিখা। প্ৰবন্ধবোৰৰ উৎস ক'ত, সেইবিষয়ে ইয়াত আলোচনা নকৰি সেইবোৰ পৰিশিষ্টত উল্লেখ কৰা হৈছে।

গ্ৰন্থখনৰ নামটোৰ বিষয়ে এইখিনিতে উনুকিওৱা উচিত হ'ব। গ্ৰন্থখনৰ কি নাম দিয়া যায়, সেই সম্পৰ্কে গুণাগথা কিছু কৰা হৈছিল। বৰকটকীদেৱৰ যশোধৰা পত্নী শ্ৰীযুতা ৰেণুকাদেৱী বৰকটকী বাইদেৱেও কেইটামান নামৰ পৰামৰ্শ দিছিল। তাৰে এটা নাম আছিল 'বৰেণ্য আদৃত'। নামটো ভাল লগাত সেইটোকে অলপ সলনি কৰি গ্ৰন্থখনৰ নাম 'বন্দিত বৰেণ্য' ৰখা হ'ল। বৰকটকীদেৱ জীয়াই থকা হ'লে নামটোত তেখেতে অনুমোদন জনালেহেঁতেন বুলি ভাবিব পাৰি। কাৰণ লিটন ষ্ট্ৰেচী আদিৰ আদৰ্শই তেখেতক কিঞ্চিত প্ৰভাৱিত কৰিছিল যদিও তেখেতৰ জীৱনীমূলক লেখাসমূহত পৌৰুষ-প্ৰশস্তিৰ অনুৰণনো আমি শুনিবলৈ পাওঁ। 'বিস্মৃত ব্যতিক্ৰম'ৰ পাতনিত তেখেতে নিজেই মন্তব্য কৰিছে যে তেখেতৰ জীৱনী সংক্ৰান্ত প্ৰবন্ধসমূহ যদিও মূলতঃ 'সমালোচনামূলক জীৱন চৰ্চা', তথাপি সমূলি বীৰ বন্দনাৰ প্ৰবৃত্তি

নোহোৱাকৈ কাৰোবাৰ জীৱন কৰ্ম আলোচনা কৰা সম্ভৱপৰ বুলি তেখেতে নাভাবে।

এতিয়া সম্পাদনাৰ কথালৈ আহোঁ। এনে কামৰ পূৰ্ব অভিজ্ঞতা শূন্য নহয় যদিও, এতিয়ালৈকে জীৱিত লোকসকলৰ প্ৰবন্ধহে সম্পাদনা কৰিছোঁ। প্ৰয়াত ব্যক্তিৰ ৰচনা সম্পাদনাৰ অভিজ্ঞতা এয়েই প্ৰথম। বৰকটকীদেৱৰ প্ৰবন্ধসমূহ সম্পাদনা কৰোঁতে তেখেতৰ লিখাৰ যিটো নিজৰ ভঙ্গিমা, তাত মই অকণো হাত ফুৰোৱা নাই; অৰ্থোদ্ধাৰৰ অতীত দুই এটা শব্দ পোনাই পাঁজৰাই দিয়া হৈছে মাত্ৰ। তেখেতৰ হাতৰ আখৰ ইমানেই লতাপকীয়া (তেখেতৰ নিজৰ ভাষাত 'বেয়া') আছিল যে নিজে লিখা শব্দৰ অৰ্থও হেনো তেখেতে বহু সময়ত উদ্ধাৰ কৰিব নোৱাৰিছিল। (দ্ৰষ্টব্য : 'বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী,' চাৰু মহন্তৰ প্ৰবন্ধ)। গতিকে মোৰ এই 'সম্পাদনা' কাৰ্য ধৃষ্টতা হ'লেও নিশ্চয় মাৰ্জনীয়। প্ৰবন্ধবিলাকৰ নামৰ ক্ষেত্ৰত মই অৱশ্যে কিছু ওপৰ হাত লৈছোঁ। এটা নামহীন প্ৰবন্ধৰ নাম মই নিজেই দিছোঁ (গান্ধীজী : এটা অভিমত)। এটা নে দুটা প্ৰবন্ধৰ নামো কিঞ্চিৎ সলনি কৰিছো। 'বিস্মৃত ব্যতিক্ৰম'ত তেখেতে নিজেও এনে কৰিছিল, আৰু জীয়াই থকা হ'লে তেখেতৰ দৰে উদাৰমনা ব্যক্তিয়ে মোক এনে কৰিবলৈ অনুমতি দিলেহেঁতেন নিশ্চয়। এইভাবি মোৰ এই ধৃষ্টতাও সুধীবৰ্গই মৰিষণ কৰিব বুলি মোৰ আশা। (সলনি কিদৰে কৰা হৈছে পৰিশিষ্টত তাৰ উল্লেখ পোৱা যাব।)

গ্ৰন্থখনিৰ সম্পাদনৰ ক্ষেত্ৰত তেখেতৰ গুণৱতী কন্যা ড° মীনাক্ষী ভট্টাচাৰ্য আৰু যশস্বী পত্নী ৰেণুকাদেৱী বৰকটকীৰ পৰা ভালেখিনি সহায় পাইছোঁ। মোলৈ বিশেষভাৱে সাহায্য আগবঢ়াইছে শ্ৰীমান ভূমিধৰ দাসে- বৰকটকীদেৱৰ হাতেলিখা ৰচনাসমূহ ছপাৰ উপযোগীকৈ লিখি উলিয়াই। শ্ৰীযুত উপেন্দ্ৰ বৰকটকীদেৱেও কিতাপখনৰ খা-খবৰ লৈ মোক উৎসাহিত কৰিছে। সদৌটিলৈকে মোৰ হিয়াভৰা শলাগ থাকিল।

সম্পাদনা কাৰ্য যিমান পাৰি নিখুঁত কৰিবলৈ মই যত্নৰ ত্ৰুটি কৰা নাই। তৎসত্বেও অনৱধানবশতঃ দুই চাৰিটা আসোঁৱাহ কিতাপখনত ৰৈ যাব পাৰে। তাৰ বাবে সুধীবৃন্দলৈ মোৰ অনুৰোধ- সংস্কৃত কবিৰ কিঞ্চিৎ পৰিৱৰ্তিত ভাষাত—

অযুক্তমস্মিন্ যদি কিঞ্চিদ্ কৃতং অজ্ঞানতো ৱা মতিভ্ৰমাদ্বা।
ঔদাৰ্যকাৰুণ্য বিশুদ্ধধীভিঃ মনীষীঃ তৎ পৰিশোধনীয়ম্।।

গুৱাহাটী
২২ অক্টোবৰ, ১৯৯৫

শিৱনাথ বৰ্মন

সূচীপত্ৰ


সম্পাদকৰ নিবেদন
১। শংকৰ অভিক্ষেপ ১
২। গোহাঞি বৰুৱা ঃ তেওঁৰ জীৱনী সাহিত্য ৭
৩। বেণুধৰ শৰ্মালৈ শ্ৰদ্ধাঞ্জলি ৩০
৪। জন্ম শতবাৰ্ষিকীৰ পৰ্বতীত অম্বিকাগিৰী ৪৬
৫। পণ্ডিত প্ৰৱৰ সন্দিকৈ ঃ মনীষা আৰু বৈশিষ্ট্য ৫৪
৬। আৰ্হিপুৰুষ সন্দিকৈ ঃ মহান একজেম্প্লাৰ ৬২
৭। অগ্ৰণী শিক্ষাবিদ আৰু অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাপক শৰৎচন্দ্ৰ গোস্বামী ৭৪
৮। আধা শতিকাৰ বিস্মৃতিত বিলুপ্ত এগৰাকী কৃতী অসমীয়া ৭৮
৯। অতুল চন্দ্ৰ হাজৰিকা ঃ কৃতি আৰু কীৰ্তি ৮৯
১০। লক্ষ্মীনাথ ফুকন ঃ সাহিত্য আৰু সংবাদ সেৱাৰ তিনিকুৰি পোন্ধৰ বছৰ ৯৬
১১। ডেকা ফুকন ঃ অনুৰক্তৰ দৃষ্টিৰে ১২৩
১২। অসমীয়া চুটি গল্পৰ লেখক আৰু পৰ্য্যবেক্ষক ত্ৰৈলোক্যনাথ গোস্বামী ১২৮
১৩। যুগল দাস ঃ ব্যক্তিগত শ্ৰদ্ধাৰ্ঘ্য ১৩০
১৪। ফুনু ককাইদেউ আৰু তছদ্দুক ভাই ১৩৩
১৫। বীৰেন্দ্ৰ কৃতি ১৩৬
১৬। লোকপ্ৰিয় বৰদলৈ ঃ ব্যক্তিত্ব আৰু নেতৃত্ব ১৪১
১৭। জাতীয় নেতৃত্ব আৰু হেমচন্দ্ৰ বৰুৱা ১৪৯
১৮। জ্ঞানগম্ভীৰ কৰ্মযোগী ঃ স্মৃতিপটৰ লোকনায়ক ১৫৯
১৯। অমৃত [illegible] ললিত হাজৰিকা ঃ বন্ধুৰ স্মৃতিৰ শ্ৰদ্ধাৰ্ঘ্য ১৬২
২০। এগৰাকী মহিয়সী আৰু জাতীয় কবয়িত্ৰী ১৬৪
২১। গান্ধীজী ঃ এটি অভিমত ১৬৭
২২। নেহেৰুৰ আদৰ্শ ১৭১
প্ৰবন্ধাৱলীৰ আকৰ সমূহ ১৭৬